# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
## **Headlines**
**-------------------**

১।	অসম মন্ত্ৰীসভাৰ বৈঠকত ডিব্ৰুগড়ৰ খনিকৰ ষ্টেডিয়াম ৰাজ্যৰ সৰ্ববৃহৎ ষ্টেডিয়াম ৰূপে গঢ়ি তোলাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ।

২।	সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্যৰ দুৰ্যোগ প্ৰশমন বিভাগ সাজু বুলি মন্ত্ৰী কেশৱ মহন্তৰ প্ৰকাশ।

৩।	অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি শোণিতপুৰ জিলাৰ অৱসৰপ্ৰাপ্ত নায়েব চুবেদাৰ টিকেন্দ্ৰ দাহালৰ অভিমত।

৪।	ভাৰতীয় সাহিত্যিক তথা কানাড়া ভাষাৰ গল্পকাৰ বানু মোস্তাকলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা।
**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত আজি পুৱাৰ ভাগতে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যত সংগীত উৎসৱ পৰ্যটন অৰ্থনীতি গঢ়াৰ বাবে উন্নতমানৰ সংগীতানুষ্ঠান আয়োজনৰ স্থানসমূহ বিশ্বমানৰ পোহৰ আৰু শব্দ প্ৰযুক্তিৰ সৈতে বিকশাই তুলিবলৈ আজিৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যৰ সৌৰশক্তি উৎপাদনৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ অসম সৌৰশক্তি উৎপাদন প্ৰচাৰ নীতি ২০২৫ত মন্ত্ৰীসভাই অনুমোদন জনাইছে। সেই অনুসৰি ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ ৫০০ মেগাৱাট সৌৰশক্তি উৎপাদন তথা ৰাজ্যত ব্যক্তিগত আৰু ৰাজহুৱা বিনিয়োগক আকৰ্ষণ কৰি প্ৰায় ১৫ হাজাৰ নিয়োগ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। আজিৰ বৈঠকতে লাচিত বৰফুকন আৰক্ষীৰ একাডেমীৰ উন্নয়নৰ দ্বিতীয় পৰ্যায়ৰ বাবে ২২৯ কোটি ৪১ লাখ টকা ব্যয়ৰ প্ৰশাসনিক অনুমোদন জনায়। দুবছৰৰ ভিতৰত দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী ৰূপ দিয়াৰ বাবে চহৰখনত নতুন বিধায়িনী পৰিসৰ আৰু বিধায়ক আৱাস নিৰ্মাণৰ বাবে মন্ত্ৰীসভাই ২৮৪ কোটি ৩ লাখ টকা আৱণ্টনত অনুমোদন জনায়। আজিৰ বৈঠকত মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ খনিকৰ ষ্টেডিয়ামৰ আসনৰ সংখ্যা ৫ হাজাৰৰ পৰা ৩৫ হাজাৰলৈ বৃদ্ধি কৰি ইয়াক ৰাজ্যৰ সৰ্ববৃহৎ ষ্টেডিয়াম ৰূপে গঢ়ি তোলাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। খনিকৰ ক্ৰীড়া পৰিসৰ উন্নীতকৰণৰ বাবে মন্ত্ৰীসভাই ২০৯ কোটি ১৩ লাখ টকাৰ আৱণ্টনতো আজি অনুমোদন জনায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অধীনৰ ৪৭ হাজাৰ ৩০৬ হেক্টৰ অঞ্চলৰ চূড়ান্ত অধিসূচনা প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনায়। এই সম্প্ৰসাৰণৰ অধীনত গোপালঝাৰণি, গোনাইটাপু, ঠুটেচাপৰি, জবৰে, বালিগাঁও,

বিশ্বনাথ ঘাট, উমাটুমনি, গাখীৰখাইতী, শিলঘাট আৰু হাতীমূৰা গাঁওসমূহ অন্তৰ্ভুক্তি আওতাৰ বাহিৰত ৰখা হৈছে। আজিৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি অসম চাহ কোম্পানী লিমিটেডৰ চাহ শ্ৰমিকৰ বাবে অহা ১ অক্টোবৰৰ পৰা দৈনিক মজুৰি ২২০ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধি কৰাৰ কথা মুখ্যমন্ত্ৰী ড০ শৰ্মাই ঘোষণা কৰে।

**বাইট (চি এম)**

০০০০০

সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্যৰ দুৰ্যোগ প্ৰশমন বিভাগ সাজু হৈছে বুলি দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ইতিমধ্যে এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু জিলা আয়ুক্তসকলক ইয়াৰ বাবে যাৱতীয় নিৰ্দেশ দিয়া হৈছে। বানৰ সময়ত যোগাযোগৰ বাবে নিয়ন্ত্ৰণ কক্ষ মুকলি কৰাৰ লগতে জিলা আৰু ৰাজ্যিক পৰ্যায়ত প্ৰাৰম্ভিক কাম-কাজসমূহৰ বাবেও ইতিমধ্যে আলোচনা হৈছে। বানৰ বাবে সৃষ্টি হ'ব পৰা যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ৩৫ খন জিলা আৰু ২৯ খন উপ-জিলাৰ বাবে ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থা বিভাগে আগতীয়াকৈ ১০০ কোটি টকা মোকলাই দিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **শেণিতপুৰ জিলাৰ অৱসৰপ্ৰাপ্ত নায়েব চুবেদাৰ টিকেন্দ্ৰ দাহালক**। ২০০৫ চনৰ পৰা ২০২২ চনলৈকে সেনাবাহিনীত কৰ্মৰত দাহালে জম্মু-কাশ্মীৰৰ ৰক্ষক অভিযানকে ধৰি কেইবাটাও অভিযানৰ অভিজ্ঞতা লাভ কৰিছিল। অৱসৰপ্ৰাপ্ত সেনা জোৱানগৰাকীয়ে তেওঁৰ অভিজ্ঞতা আৰু অপাৰেচন সিন্দূৰৰ কাৰ্যকৰিতা সন্দৰ্ভত আমাৰ শোণিতপুৰৰ সংবাদদাতা ৰজত ভৰদ্বাজৰ  আগত এই মত ব্যক্ত কৰে। -

**(বাইট)**

০০০০০

ভাৰতীয় সাহিত্যিক তথা কানাড়া ভাষাৰ গল্পকাৰ বানু মোস্তাকলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে। গল্পকাৰগৰাকীৰ কানাড়া ভাষাৰ গল্প সংকলনৰ ইংৰাজী অনুবাদ হাৰ্ট লেম্পলৈ এই বঁটা আগবঢ়োৱা হৈছে। কন্নড় গল্প সংকলনখন ইংৰাজীলৈ অনুবাদ কৰা দীপা বস্তিকো বিশিষ্ট গল্পকাৰগৰাকীৰ সৈতে এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে বানু মোস্তাক এই বঁটা লাভ কৰা প্ৰথমগৰাকীৰ কন্নড় সাহিত্যিক হিচাপে পৰিগণিত হৈছে। কালি লণ্ডনত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। ১২টা গল্পৰ সংকলনখনত গল্পকাৰগৰাকীয়ে বিগত ৩০ বছৰত ৰচনা কৰা গল্পসমূহ সন্নিৱিষ্ট কৰা হৈছে। কৰ্ণাটকৰ ইছলাম ধৰ্মাৱলম্বী মহিলাৰ জীৱনশৈলীক উপজীৱ্য হিচাপে লৈ সৰহ সংখ্যক গল্প ৰচনা কৰা হৈছে। গল্প সংকলনখনে বিশ্বৰ ভিন্ন প্ৰান্তৰ আন পাঁচগৰাকী খ্যাতনামা সাহিত্যিকৰ ৰচনাৰ অনুমোদিত তালিকাৰ পৰা বাছনি লাভ কৰি এই বঁটা লাভ কৰে। ইপিনে, ইংৰাজী অনুবাদৰ বাবে বুকাৰ বঁটা লাভ কৰা দীপা বস্তি প্ৰথমগৰাকী ভাৰতীয় অনুবাদক হিচাপে পৰিগণিত হৈছে। শেহতীয়াকৈ ২০২২ চনত ভাৰতীয় সাহিত্যিক গীতাঞ্জলি শ্ৰী আৰু ইংৰাজী অনুবাদক ডেইজি ৰকৱেলে টম্ব অব চেণ্ডৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল। ১৯৯৭ চনত অৰুন্ধতী ৰয়ে গড অব স্মল থিংছ নামৰ গ্ৰন্থৰ বাবে প্ৰথমগৰাকী ভাৰতীয় হিচাপে বুকাৰ বঁটা লাভ কৰিছিল। ২০২৬ চনত কিৰণ দেশাইয়ে ইনহেৰিটেনছ অব লছ গ্ৰন্থৰ বাবে আৰু ২০০৮ চনত অৰবিন্দ

আদিগাই দ্য হোৱাইট টাইগাৰ নামৰ গ্ৰন্থখনৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল। একেদৰে ভাৰতীয় মূলৰ প্ৰথমগৰাকী সাহিত্যিক হিচাপে ১৯৯৩ চনত মিডনাইট চিল্ড্ৰেণ নামৰ গ্ৰন্থৰ বাবে ভি এছ্ নাইপলে এই বঁটা লাভ কৰিছিল।

০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস। ৰাষ্ট্ৰসংঘৰ উদ্যোগত প্ৰতি বছৰে ২১ মে'ৰ দিনাখন এই দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে অসমৰ চাহ উদ্যোগে ইতিমধ্যে ২০০ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে। দেশৰ মুঠ চাহ উৎপাদনৰ ভিতৰত অসমৰ অংশ হৈছে ৫৪ শতাংশ। শেহতীয়াকৈ ক্ষুদ্ৰ চাহ উদ্যোগে অসমৰ অৰ্থনীতিলৈ প্ৰভূত বৰঙণি আগবঢ়াইছে। উন্নত পদ্ধতিৰে চাহ খেতি কৰি এনে ক্ষুদ্ৰ খেতিয়কসকলে বজাৰত কেঁচা পাতৰ উচিত মূল্য পাবলৈ সমৰ্থ হৈছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত আজি এই দিৱস উপলক্ষে ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হয়। চাহ নগৰীৰূপে পৰিচিত তিনিচুকীয়া জিলাৰ ডুমডুমাত আজি আছাম ব্ৰট লীভ টী এছোচিয়েচনৰ উদ্যোগত এখন ভ্ৰাম্যমান চাহ বিপণী আৰম্ভ কৰা হয়। ডুমডুমা সমজিলা আয়ুক্তই এই ভ্ৰাম্যমান বিপণীখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ভাৰতীয় টী বোৰ্ডৰ উদ্যোগত আজি গুৱাহাটী চাহ নিলাম কেন্দ্ৰত অসমত চাহ উদ্যোগৰ সমস্যা আৰু ভৱিষ্যৎ সন্দৰ্ভত এখন মনোজ্ঞ আলোচনাচক্ৰ অনষ্ঠিত হয়।

এই আলোচনাচক্ৰৰ অন্যতম সমল ব্যক্তি - নগাঁও জিলাৰ  শিক্ষিত চাহ খেতিয়ক সঞ্জীৱ বৰা। ভাৰতীয় চাহ বোৰ্ডৰ দ্বাৰা পুৰস্কৃত এই চাহ খেতিয়কজনে আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত চাহ উদ্যোগ সম্পৰ্কত এনেদৰে মন্তব্য কৰে।

**ঃ বাইট ঃ**

আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ উদ্যোগক উজ্জীৱিত কৰা প্ৰতিগৰাকী লোকক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০

০০০০০

অনলাইন ট্ৰেডিঙৰ নামত বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অভিনেত্ৰী চুমি বৰাৰ জামিন আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰে। ডিব্ৰুগড়ৰ বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰত অভিনেত্ৰীগৰাকীয়ে জামিন লাভ কৰে। প্ৰায় ৮ মাহ ধৰি অভিনেত্ৰীগৰাকী কাৰাগাৰত আছিল। অৱশ্যে জামিন লাভ কৰিলেও কাইলৈহে চুমি বৰাই কাৰাগাৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অনুৰূপ গোচৰত অভিযুক্ত বিশাল ফুকন আৰু তাৰ্কিক বৰাই ইতিপূৰ্বে জামিন লাভ কৰিছে।

০০০০০

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক কাইলৈ অমৃত ভাৰত ষ্টেছনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। কাইলৈ এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত, ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনক আধুনিক ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত

শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

০০০০০

বিশেষ ন্যায়াধীশৰ আদালতে উৎকোচ লোৱাৰ গোচৰত নুনমাটি থানাৰ পূৰ্বৰ সহকাৰী উপ-পৰিদৰ্শক প্ৰীতিশ গুপ্তাক আজি ৪ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৫ হাজাৰ টকাৰ জৰিমনা বিহিছে। ২০১৬ চনৰ ২১ অক্টোবৰত এজন লোকৰ পৰা ৫ হাজাৰ টকা উৎকোচ লোৱা অৱস্থাত দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাই সহকাৰী উপ-পৰিদৰ্শক প্ৰীতিশ গুপ্তাক হাতে-লোটে গ্ৰেপ্তাৰ কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ আজি বিশেষ ন্যায়াধীশৰ আদালতে গুপ্তাক দোষী সাব্যস্ত কৰে।

০০০০০

প্ৰকৃতি সংৰক্ষণ আৰু নাৰী সৱলীকৰণৰ এক যুগান্তকাৰী সমন্বয়েৰে শিলচৰ চহৰত আজিৰ পৰা WOMEN FOR TREES শীৰ্ষক এক অভিনৱ সেউজ অভিযান আৰম্ভ হৈছে। কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰিকল্পনাৰ অধীনত, অটল মিছন ফৰ ৰিজুভেনেশ্বন এণ্ড আৰবান ট্ৰান্সফৰ্মেশ্যন আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ যৌথ প্ৰচেষ্টাত শিলচৰ চহৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে নগৰীয় স্থানীয় সংস্থা আৰু আত্মসহায়ক গোটৰ সদস্যসকলে কাছাৰ মহাবিদ্যালয়ৰ কাষত গছপুলি ৰোপণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। এই অঞ্চলৰ পৰাই পৰিবেশ সুৰক্ষাৰ এটা দীঘলীয়া যাত্ৰা আৰম্ভ হ'ব, য'ত গছপুলি ৰোপণ আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ জৰিয়তে চহৰখনৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য পুনৰুদ্ধাৰৰ চেষ্টা কৰা হ'ব।

WOMEN FOR TREES কেৱল মাত্ৰ গছপুলি ৰোপণৰ কাৰ্যসূচী নহয়, বৰং ই এক নতুন সেউজ বিপ্লৱ। এই বিপ্লৱত সমাজৰ চালিকা শক্তি মহিলাসকলে বিশেষ ভূমিকা গ্ৰহণ কৰি প্ৰকৃতিৰ ৰক্ষক হিচাপে আত্মপ্ৰকাশ কৰিছে। শিলচৰৰ মহিলাসকলৰ এই সেউজ বিপ্লৱে জিলাখনৰ লগতে ৰাজ্যখনৰ পৰিবেশ ৰক্ষাৰ ক্ষেত্ৰত ইতিবাচক বাৰ্তা বহন কৰিবলৈ সমৰ্থ হব বুলি আশা কৰা হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অগৰাতলি বনাঞ্চলত আজি বন আৰক্ষীৰ গুলীত এটা চোৰাংচিকাৰীৰ মৃত্যু হৈছে। বনাঞ্চলখনৰ দোৱামাৰি বন শিবিৰ এলেকাত চোৰাংচিকাৰীটোৰ মৃতদেহ উদ্ধাৰ হয়। চোৰাংচিকাৰীটোৰ পৰা আৰক্ষীয়ে এটা ৰাইফল উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত বন বিভাগ আৰু আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থানে ১৮৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ'ভাৰ আৰু এটা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০০

সমাপ্ত